# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 26-04-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***

***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। উত্তৰ পূৰ্বাঞ্চলৰ বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাৰ লগতে এনে সামগ্ৰী উপহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোৰে প্ৰতি আহ্বান জনাইছে।

২। গুজৰাটৰ ১৫ টা পৌৰ নিগম, ৮৪ খন পৌৰসভা আৰু দুশৰো অধিক জিলা আৰু তালুকা পঞ্চায়তৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হৈছে।

৩। বাংলাদেশ আৰক্ষীয়ে সংসদ ভৱন চৌহদকে ধৰি গুৰুত্বপূৰ্ণ স্থানসমূহত সম্ভাব্য সামৰিক আক্ৰমণ সন্দৰ্ভত সমগ্ৰ দেশখনতে নিৰাপত্তা সতৰ্কতা জাৰি কৰিছে।

৪। প্ৰসিদ্ধ ফটোগ্ৰাফাৰ ৰঘু ৰায়ৰ আজি ৮৩ বছৰ বয়সত দেহাৱসান ঘটে। আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটনছৰ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ- কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। এয়া হৈছে অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ প্ৰগতিৰ সৈতে বিজ্ঞানক সদায় জড়িত কৰা হৈছে। দেশৰ বিজ্ঞানীসকলে অসামৰিক পাৰমানবিক কাৰ্যসূচী আগবঢ়াই নি ৰাষ্ট্ৰ নিৰ্মাণত ভূমিকা পালন কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ পাৰমাণৱিক বিজ্ঞানীসকলে সফলতাৰে তামিলনাডুৰ কলপক্কমত থকা ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰত সুস্থিৰতা প্ৰদান কৰি গৌৰৱান্বিত কৰিছে বুলি উল্লেখ কৰে। প্ৰকৃততে ই এনে এক পৰ্যায় য'ত ৰিয়েক্টৰটোৱে প্ৰথমবাৰৰ বাবে স্ব-নিৰ্ভৰশীল পাৰমাণৱিক শৃংখল বিক্ৰিয়াত সফলতা লাভ কৰে। ইয়াৰ অৰ্থ হৈছে ৰিয়েক্টৰটো কাৰ্যক্ষম পৰ্যায়ত উপনীত হৈছে। ভাৰতৰ পাৰমাণৱিক শক্তিৰ যাত্ৰাত এয়া এক ঐতিহাসিক মাইলৰ খুটি হিচাপে চিহ্নিত হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। লগতে পাৰমাণৱিক ৰিয়েক্টৰটো সম্পূৰ্ণভাৱে থলুৱা প্ৰযুক্তিৰে নিৰ্মাণ কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই ব্ৰিডাৰ ৰিয়েক্টৰ এনে এটা ব্যৱস্থা যিয়ে শক্তি উৎপাদনৰ লগতে ভৱিষ্যতৰ বাবেও নতুন ইন্ধন নিজে উৎপাদন কৰে। ২০২৪ চনৰ মাৰ্চত কলপক্কমত ৰিয়েক্টৰটো লোডিং হৈ থকাৰ সময়ত নিজে প্ৰত্যক্ষ কৰাৰ কথাও প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে। ভাৰতৰ পাৰমাণৱিক কাৰ্যসূচীত অমূল্য অৱদান আগবঢ়োৱা সকলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জনায়। দেশবাসীৰ জীৱন উন্নত আৰু সহজ কৰি তোলাৰ বাবে তেওঁলোকৰ এই প্ৰচেষ্টা

অতি প্ৰশংসনীয় বুলিও তেওঁ কয়। তেওঁ কয়, যে ইয়াৰ দ্বাৰা বিকশিত ভাৰতৰ সংকল্প এক নতুন শক্তি প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে বায়ু শক্তিৰ বিষয়ে উল্লেখ কৰি কয়, যে এই শক্তিয়ে ভাৰতৰ বিকাশৰ গতি তীব্ৰ কৰি তুলিছে। বৰ্তমান ভাৰতৰ বায়ু শক্তিৰ ক্ষমতা ৫৬ গিগাৱাট অতিক্ৰম কৰিছে। শ্ৰীমোদীয়ে কয়, যে বিগত এটা বছৰত প্ৰায় ৬ গিগাৱাট নতুন ক্ষমতা এই খণ্ডত যোগ হৈছে। আজি ভাৰত বায়ু শক্তিৰ সক্ষমতাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত চতুৰ্থ স্থানত থকাৰ কথা প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে গুজৰাট, তামিলনাডু, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু দেশৰ অন্যান্য ৰাজ্যই এই খণ্ডত বিশেষ সফলতা অৰ্জন কৰিছে। গুজৰাটৰ কচ্ছ, পাটন আৰু বানচকণ্ঠৰ দৰে অঞ্চলসমূহত বৃহৎ নবীকৰণযোগ্য শক্তি উদ্যান নিৰ্মাণ কৰি থকাৰ কথাও প্ৰধানমন্ত্ৰী মোদীয়ে মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে। যুৱ প্ৰজন্মই ইয়াৰ সুবিধা গ্ৰহণ কৰাৰ বাবে নতুন দক্ষতা বিকাশ হৈছে আৰু নিযুক্তিৰ নতুন পথ প্ৰশস্ত হোৱাৰ কথা শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ বিকাশৰ বাবে সৌৰ আৰু বায়ু শক্তি দুয়োটাই প্ৰয়োজন। প্ৰধানমন্ত্ৰীয়ে বিদ্যুৎৰাহি কৰা আৰু নিকা শক্তি ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। দেশৰ প্ৰতিটো স্তৰতে এনে প্ৰচেষ্টাৰ প্ৰয়োজন আৰু ইয়াৰ দ্বাৰাই বৃহৎ পৰিৱৰ্তন হোৱাৰ কথা শ্ৰীমোদীয়ে উল্লেখ কৰে।

মন কী বাতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক পুনৰ অষ্টলক্ষ্মী হিচাপে অভিহিত কৰি কয়, যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰচুৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ বাঁহ শিল্পৰ কথা বিশেষভাৱে এই অনুষ্ঠানত উল্লেখ কৰে। তেওঁ কয় যে, যিটো বস্তুক এটা সময়ত বোজা বুলি গণ্য কৰা হৈছিলে সি এতিয়া ব্যৱসায় তথা উদ্ভাৱনক নতুন মাত্ৰা প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ইংৰাজৰ দিনৰ পৰা চলি অহা আইন অনুসৰি বাঁহক বৃক্ষ হিচাপে গণ্য কৰাৰ কথা প্ৰকাশ কৰি কয় যে এই আইনৰ বাবেই এঠাইৰ পৰা আন ঠাইলৈ বাঁহ লৈ যোৱাটো সহজ নাছিলে। সেইবাবে উত্তৰ পূৰ্বাঞ্চলৰ লোকসকল বাঁহৰ সৈতে জড়িত কাম-কাজৰ পৰা আঁতৰি আহিছিল। ২০১৭ চনত এই আইনৰ কিছু সাল সলনি কৰি বাঁহক বৃক্ষ শ্ৰেণীৰ আওতাৰ পৰা বাহিৰলৈ অনা হয়। যাৰ ফলত বৰ্তমান উত্তৰ পূৱত অতি ক্ষীপ্ৰতাৰে বাঁহ খণ্ডৰ বিকাশ হ'বলৈ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ত্ৰিপুৰাৰ গোমতি জিলাৰ বিজয় সূত্ৰধৰ আৰু প্ৰদীপ চক্ৰৱৰ্তীৰ নাম উল্লেখ কৰি কয় যে তেওঁলোকে এই আইনৰ সুবিধা পুৰামাত্ৰাই গ্ৰহণ কৰিছে। তেওঁলোকে উন্নত কাৰিকৰী কৌশল প্ৰয়োগ কৰি আগতকৈ কেইবাগুণো বেছি উন্নতমানৰ বাঁহ উৎপাদন কৰিবলৈ সক্ষম হৈছে। নাগালেণ্ডৰ কেইবাটাও আত্মসহায়ক গোটৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই আত্মসহায়ক গোটবোৰে বাঁহৰ পৰা তৈয়াৰী বিভিন্ন খাদ্যবস্তুৰ সফল ব্যৱসায় আৰম্ভ কৰিছে। মিজোৰামৰ কেতবোৰ গোটে বাঁহৰ টিছু কালচাৰ আৰু পলি হাউচ মেনেজমেণ্টৰ ক্ষেত্ৰত কাম কৰি থকাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাৰ লগতে এনে সামগ্ৰী উপহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০০০

গুজৰাটৰ ১৫ টা পৌৰ নিগম, ৮৪ খন পৌৰসভা আৰু দুশৰো অধিক জিলা আৰু তালুকা পঞ্চায়তৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হৈছে। আহমেদাবাদ পৌৰ নিগমৰ নিৰ্বাচনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আহমেদাবাদৰ নাৰণপুৰা ভোটকেন্দ্ৰত পুৱাৰ ভাগত পৰিয়ালৰ সৈতে ভোটৰ অধিকাৰ সাব্যস্ত কৰে। আমালৈ বাতৰি অহাৰ পৰলৈকে পৌৰ নিগম নিৰ্বাচনত ৭ দশমিক ৯ - ২ আৰু নগৰ পালিকা নিৰ্বাচনত ১৫ দশমিক ৬-৩ শতাংশ

ভোটদান হৈছে। আনহাতে, তালুকা পঞ্চায়তৰ বাবে ১৩ দশমিক ৩-১ আৰু জিলা পঞ্চায়ত নিৰ্বাচনত এই সময়ছোৱালৈকে ১২ দশমিক ৩-৩ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে। ভোটগ্ৰহণ শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে ৪৮ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। আজি সন্ধিয়া ছয় বজাত এই ভোটগ্ৰহণৰ সামৰণি পৰিব আৰু ২৮ এপ্ৰিলত ভোটগণনা কৰা হ'ব।

০০০০০০০০

বাংলাদেশ আৰক্ষীয়ে সংসদ ভৱন চৌহদকে ধৰি গুৰুত্বপূৰ্ণ স্থানসমূহত সম্ভাব্য সামৰিক আক্ৰমণ সন্দৰ্ভত সমগ্ৰ দেশখনতে নিৰাপত্তা সতৰ্কতা জাৰি কৰিছে। চৰকাৰ তথা সংবাদ মাধ্যমৰ তথ্য অনুসৰি চোৰাংচোৱা প্ৰতিবেদনৰ ভিত্তিত এই সতৰ্কতা জাৰি কৰা হৈছে। বাংলাদেশ আৰক্ষীৰ মুখ্য কাৰ্যালয়ে এখন পত্ৰযোগে প্ৰকাশ কৰিছে যে সংসদ ভৱন, ধৰ্মীয় স্থান, মনোৰঞ্জন কেন্দ্ৰ আৰু সেনা তথা আৰক্ষী কাৰ্যালয়সমূহত সংগঠিত আক্ৰমণৰ সম্ভাৱনাৰ তথ্য লাভ কৰাৰ পাছতে এনেধৰণৰ সতৰ্কতা জাৰি কৰা হৈছে।

০০০০০০০০

প্ৰসিদ্ধ ফটোগ্ৰাফাৰ ৰঘু ৰায়ৰ আজি দেহাৱসান ঘটে। দুবছৰ ধৰি কৰ্কট ৰোগৰ সৈতে যুঁজ দিয়া ৰায়ৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৩ বছৰ। ১৯৪২ চনৰ ১৮ ডিচেম্বৰত জন্মগ্ৰহণ কৰা ৰায় অকল ভাৰততে নহয়, বৰং সমগ্ৰ বিশ্বত তেওঁৰ কৰ্মৰাজিৰ বাবে জনপ্ৰিয় আছিল। তেওঁৰ আলোকচিত্ৰসমূহক প্ৰায়েই ভিজুৱেল ৰেকৰ্ড হিচাপে অভিহিত কৰা হৈছিল। বাংলাদেশ মুক্তিযুদ্ধৰ সময়ছোৱাত তেওঁ লোৱা আলোকচিত্ৰৰ বাবে ১৯৭২ চনত তেওঁক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছিল। ১৯৯২ চনত ৰায়ক আমেৰিকাত **বৰ্ষটোৰ ফটোগ্ৰাফাৰ** হিচাপে সন্মান প্ৰদান কৰা হৈছিল। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২০১৭ চনত ৰঘু ৰায়ক জীৱনযোৱা সাধনা বঁটাৰে সন্মানিত কৰিছিল।

০০০০০০০০

পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বনগাওঁৰ ঠাকুৰ নগৰত এখন নিৰ্বাচনী সমাবেশত ভাষণ দিব। ইয়াৰ পাছত তেওঁ হুগলীৰ হৰিপালত আন এখন জনসভাত ভাষণ দিব। সন্ধিয়াৰ ভাগত শ্ৰীমোদীয়ে উত্তৰ কলকাতাৰ থানথানিয়া কালিবাৰীত পুজা অৰ্চনা আগবঢ়োৱাৰ পাছত বি কে পাল এভিনিউৰ পৰা খান্না ক্ৰছিঙলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। দলৰ জ্যেষ্ঠ নেতা অমিত শ্বাহেও আজি দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছে। বিজেপিৰ প্ৰাক্তন সভাপতি জে পি নাড্ডাই ভাটৰ, পূব বৰ্ধমান আৰু বেহালা পশ্চিমত ৰোড শ্ব'ত অংশ গ্ৰহণ  কৰিব।

বিৰোধী নেতা শুভেন্দু অধিকাৰীয়ে চিনাৰ পাৰ্কৰ পৰা জোৰামন্দিৰ আন্দাৰপাছলৈ এটা সমদলত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। তৃণমূল কংগ্ৰেছ নেত্ৰী মমতা বেনাৰ্জীয়ে আজি নিজৰ সমষ্টি ভৱানীপুৰতেই বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। দলৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে মাগৰাহাত পশ্চিমত এটা সমাবেশত ভাষণ দিব। আনহাতে, চি পি আই এমৰ ৰাজ্যিক সভাপতি মহম্মদ চলিম আৰু জ্যেষ্ঠ নেতা বৃন্দা কাৰাটে পানীহাটি আৰু খাৰদাহত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

০০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটনছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ- কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক পাঁচ উইকেটত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২২৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু তিনিটা বলত ৫ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ ঈযান কিষানে ৩১ টা বলত ৭৪ ৰান কৰে। অভিষেক শৰ্মাই ৫৭ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বৈভৱ সূৰ্যবংশীৰ ১০৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ২২৮ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে দেলহী কেপিটেলছক ছয় উইকেটত পৰাস্ত কৰে। দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ২ টা উইকেট হেৰুৱাই ২৬৪ ৰান সংগ্ৰহ কৰে। দিল্লীৰ হৈ কে এল ৰাহুলে ৬৭ টা বলত ১৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। নীতিশ ৰানাই ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৮ অভাৰ ৫ টা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

০০০০০০০০

সমাপ্ত